# আত্মনিৰ্ভৰ ভাৰত

## অংশ-২ : প্ৰব্ৰজক আৰু কৃষকসকলক অন্তৰ্ভুক্ত কৰি দৰিদ্ৰসকল

১৪.০৫.২০২০

सत्यमेव जयते

Government Of India



# ক’ভিডৰ পিছৰ সময়ছোৱাত কৃষক আৰু গ্ৰামাঞ্চলৰ অৰ্থনীতিৰ উত্তৰণৰ বাবে প্ৰত্যক্ষ সমৰ্থন

- ৪.২২ লাখ কোটি কৃষি ঋণৰ সৈতে ৩ কোটি কৃষকক প্ৰদান কৰা হৈছে ৩ মাহৰ ঋণৰ স্থগিতাৱস্থা
- ১ মাৰ্চত দেয় শস্য ঋণৰ সুতৰ অনুদান আৰু সময়নিষ্ঠ সাহায্য ৩১ মে’ ২০২০ তাৰিখলৈ বৃদ্ধি কৰা হৈছে।
- ২৫,০০০ কোটি টকাৰ ঋণৰ সীমাৰ সৈতে ২৫ লাখ নতুন কিষাণ ক্ৰেডিট কাৰ্ডৰ অনুমোদন জনোৱা হৈছে।



# ক’ভিডৰ পিছৰ সময়ছোৱাত কৃষক আৰু গ্ৰামাঞ্চলৰ অৰ্থনীতিৰ উত্তৰণৰ বাবে নগদী সাহায্য

- ১.৩.২০২০ তাৰিখৰ পৰা ৩০.০৪.২০২০ তাৰিখলৈ কৃষিখণ্ডত ৮৬,৬০০ কোটি টকা ঋণৰ ৬৩ লাখ ঋণৰ অনুমোদন দিয়া হৈছে।
- ২০২০ৰ মাৰ্চ মাহত সমবায় বেংক আৰু আঞ্চলিক গ্ৰামীণ বেংকসমূহলৈ নাবাৰ্ডৰ তৰফৰ পৰা ২৯,৫০০ কোটি টকাৰ পুনৰ বিত্তপোষণ কৰা হৈছে।
- গ্ৰামীণ আন্তঃগাঁথনিৰ বাবে ২০২০ৰ মাৰ্চ মাহত গ্ৰামীণ আন্তঃগাঁথনি বিকাশ পুঁজিৰ অধীনত ৪,২০০ কোটি টকাৰ সমৰ্থন প্ৰদান কৰা হৈছে।
- ২০২০ৰ মাৰ্চৰ পৰা ৰাজ্যিক চৰকাৰী সংস্থাসমূহক কৃষিজাত সামগ্ৰী ক্ৰয় কৰিবলৈ ৬,৭০০ কোটি টকাৰ কৰ্ম মূলধনী সীমাৰ বাবে অনুমোদন জনোৱা হৈছে।



# বিগত ২ মাহত প্ৰব্ৰজক আৰু নগৰৰ দৰিদ্ৰসকলৈ সমৰ্থন

- ভাৰত চৰকাৰে ৰাজ্য চৰকাৰক প্ৰব্ৰজকসকলৰ বাবে আশ্ৰয় তথা খাদ্য আৰু পানীৰ ব্যৱস্থা কৰিবলৈ ৰাজ্যিক দুৰ্যোগ প্ৰতিক্ৰিয়া পুঁজি (এছডিআৰএফ)ৰ ধন ব্যয় কৰিবলৈ অনুমতি প্ৰদান কৰিছে।
- এছডিআৰএফৰ পুঁজি টনকীয়াল কৰিবলৈ ৩ এপ্ৰিল তাৰিখে সকলো ৰাজ্যলৈ কেন্দ্ৰীয় চৰকাৰে ১১০০২ কোটি টকা অগ্ৰীম হিচাপেও মুকলি কৰি দিছে।
- লকডাউনৰ সময়ছোৱাত অৰ্থাৎ ২৮ মাৰ্চ ২০২০ তাৰিখৰ পৰা নগৰৰ গৃহহীন লোকসকলৰ আশ্ৰয়স্থলীত প্ৰতিদিনে তিনিবাৰকৈ স্বাস্থ্যসন্মতভাৱে প্ৰস্তুত খাদ্য যোগান ধৰা হৈছে।
- ১২,০০০ আত্মসহায়ক গোটে ৩ কোটি মাস্ক আৰু ১.২০ লাখ লিটাৰ ছেনিটাইজাৰ উৎপাদন কৰিছে। ইয়াৰ জৰিয়তে নগৰ অঞ্চলত নিয়োজনৰ অতিৰিক্ত সুবিধাৰ সৃষ্টি হৈছে।
- ২০২০ৰ এপ্ৰিলত গুজৰাটত পৰীক্ষণমূলকভাৱে প্ৰণয়ন হোৱা পেইচা প'ৰ্টেলত আত্মসহায়ক গোটসমূহলৈ ৰিভ'লভিং ফাণ্ড (আৰএফ)বিতৰণ কৰা হৈছিল আৰু এতিয়া এয়া মে' ২০২০ৰ পৰা সমগ্ৰ দেশতে প্ৰযোজ্য হৈছে।
- ১৫ মাৰ্চ ২০২০ তাৰিখৰ পৰা নগৰৰ দুখীয়া লোকসকলৰ ৭,২০০টা নতুন আত্মসহায়ক গোট গঠন কৰা হৈছে।





# উভতি অহা প্ৰব্ৰজকসকলৰ বাবে এমজিএনৰেগাৰ সমৰ্থন

- ১৩ মে’ ২০২০ তাৰিখলৈ ১৪.৬২ কোটি মানৱ-দিনৰ কৰ্ম সৃষ্টি কৰা হৈছে।
- আজিৰ তাৰিখলৈ প্ৰকৃত ব্যয় প্ৰায় ১০,০০০ কোটি টকা।
- ১.৮৭ লাখ গাওঁ পঞ্চায়তত ২.৩৩ কোটি কৰ্ম সন্ধানকাৰীক কাম দিয়া হৈছে।
- বিগত বৰ্ষৰ মে’ মাহৰ তুলনাত ৪০-৫০% অধিক লোক পঞ্জীকৃত হৈছে।
- বিগত বিত্তীয় বৰ্ষত গড় মজুৰি ১৮২ টকাৰ পৰা ২০২ টকালৈ বৃদ্ধি হৈছে।
- উভতি অহা প্ৰব্ৰজকসকলৰ পঞ্জীয়নৰ কাৰ্যসূচী প্ৰণয়ন হৈছে।
- ৰাজ্য/কেন্দ্ৰীয়শাসিত প্ৰদেশসমূহক আইনৰ প্ৰাৱধান অনুসৰাৰে প্ৰব্ৰজিত কৰ্মীসকলক কাম দিবলৈ পৰামৰ্শ দিয়া হৈছে।
- বাৰিষাৰ কালছোৱাতো ৰোপণ, উদ্যানশস্য, পশুধন সম্পৰ্কীয় কামসমূহৰ বাবে এমএনৰেগাৰ কাম অব্যাহত ৰখাৰ পৰিকল্পনা কৰা হৈছে।



# শ্ৰমিক ক’ড- কৃষকৰ লাভালাভ

- অসংঘৱদ্ধ শ্ৰমিককে ধৰি সকলো শ্ৰমিকৰ বাবে সময়ত নিম্নতম মজুৰিৰ সাৰ্বজনীন অধিকাৰ আৰু – বৰ্তমান কেৱল ৩০% শ্ৰমিকেহে নিম্নতম মজুৰি লাভ কৰে।
- ৰাষ্ট্ৰীয় মানৰ পৰিশ্ৰমিকৰ এক বিধিসন্মত ধাৰণাৰ সূচনাঃ অঞ্চল বিশেষে নিম্নতম মজুৰিৰ তাৰতম্য হ্ৰাস কৰিব।
- নিম্নতম মজুৰিৰ নিৰ্দ্ধাৰণৰ ক্ষেত্ৰত সৰলীকৰণে শতকৰা হিচাপৰ ব্যৱস্থা কম কৰি অধিক গ্ৰহণযোগ্য কৰি তুলিব।
- সকলো শ্ৰমিকৰ বাবে নিয়োগ পত্ৰ – ই আনুষ্ঠানিকতা বৃদ্ধি কৰিব।
- কৰ্মচাৰীৰ বছৰেকীয়া স্বাস্থ্য পৰীক্ষা।
- বিপদসংকুল পৰিস্থিতিত কাম কৰিবলগা হোৱা সংস্থাৰ ক্ষেত্ৰত ১০ জনতকৈ কম কৰ্মচাৰী হ’লেও বৃত্তিগত সুৰক্ষা আৰু স্বাস্থ্য ক’ড কাৰ্যকৰী হ’ব।



# শ্ৰমিক ক’ড- কৃষকৰ লাভালাভ

- আন্তঃৰাজ্যিক প্ৰব্ৰজিত শ্ৰমিকৰ সংজ্ঞাৰ সংশোধন কৰি ঠিকাদাৰৰ জৰিয়তে কামত নিয়োজিত হোৱা শ্ৰমিকৰ উপৰিও নিজেই কোনো ৰাজ্যক লক্ষ্যস্থান কৰি যোৱা আৰু কোনো নিয়োগকাৰীয়ে পোনপটীয়াকৈ কামত নিয়োজিত কৰা সকলো শ্ৰমিককে এই শ্ৰেণীৰ অন্তৰ্ভুক্ত কৰা হৈছে।
- প্ৰব্ৰজিত শ্ৰমিকৰ বাবে কল্যাণমূলক ব্যৱস্থাসমূহ ভ্ৰাম্যমান হ’ব।
- কৰ্মচাৰীৰ ৰাজ্যিক বীমা পৰিষদৰ সমগ্ৰ দেশ জুৰি সকলো জিলালৈ প্ৰসাৰৰ ব্যৱস্থাই উল্লিখিত জিলা/অঞ্চলসমূহৰ  ১০ জন বা তাতকৈ অধিক কৰ্মচাৰী থকা সকলো সংস্থাকে সামৰি ল’ব।
- কৰ্মচাৰীৰ ৰাজ্যিক বীমা পৰিষদৰ প্ৰসাৰৰ ব্যৱস্থাই  ১০ জনতকৈ কম স্বেচ্ছামূলকভাৱে কাম কৰা কৰ্মচাৰী থকা সংস্থাক সামৰি ল’ব।
- বিপদসংকুল পৰিস্থিতিত কাম কৰিবলগা হোৱা সংস্থাৰ ক্ষেত্ৰত  ১০ জনতকৈ কম কৰ্মচাৰী থকা সংস্থাক কৰ্মচাৰীৰ ৰাজ্যিক বীমাই সামৰি লোৱাটো বাধ্যতামূলক।



# শ্ৰমিক ক’ড- কৃষকৰ লাভালাভ

- গিগ আৰু প্লে’টফৰ্মত কাম কৰা শ্ৰমিকৰ বাবে সামাজিক সুৰক্ষা আঁচনি।
- কাম নোহোৱাকৈ বহি থকা শ্ৰমিকৰ বাবে পুনঃদক্ষতাৰ বাবে পুঁজিৰ সূচনা।
- সকলো বৃত্তিয়েই মহিলাৰ বাবে খোলা থাকিব আৰু উপযুক্ত সুৰক্ষা ব্যৱস্থাৰ মাজেৰে ৰাতিও কাম কৰিব পাৰিব।
- অসংঘৱদ্ধ শ্ৰমিকৰ বাবে সামাজিক সুৰক্ষা পুঁজিৰ সুবিধা।
- নিৰ্দ্ধাৰিত সময়ৰ বাবে নিয়োগ কৰা শ্ৰমিকৰ বাবে গ্ৰেচ্যুইটী – ৫ বছৰৰ বিপৰীতে  ১ বছৰ সেৱা আগবঢ়ালেও গ্ৰেচ্যুইটী লাভৰ সুবিধা।



# কালি ঘোষণা কৰা সুবিধাসমূহ

सत्यमेव जयते
Goverment Of India

কালি ব্যৱসায়ৰ ক্ষেত্ৰত বিশেষকৈ ক্ষুদ্ৰ, লঘূ আৰু মধ্যমীয়া উদ্যোগৰ বাবে আগবঢ়োৱা কেইবাটাও সুবিধাৰ কথা ঘোষণা কৰা হয়। সকলো ব্যৱসায়ৰে সহায় হ’ব পৰা সুবিধাসমূহ বুজিবলৈ সহজভাৱে তলত উল্লেখ কৰা হৈছেঃ

- ক্ষুদ্ৰ, লঘূ আৰু মধ্যমীয়া উদ্যোগকে ধৰি সকলো ব্যৱসায়ৰ বাবে ৩ লাখ কোটি টকাৰ জৰুৰী কৰ্ম মূলধন।
- ২০০ কোটি টকালৈকে চৰকাৰী কোনো নিবিদা দেশৰ বাহিৰত প্ৰকাশ নহয়।
- জুন, জুলাই আৰু আগষ্ট ২০২০ – এই অতিৰিক্ত ৩ মাহৰ বাবে ব্যৱসায় আৰু সংঘৱদ্ধ শ্ৰমিকলৈ আগবঢ়োৱা দৰমহাৰ লগতে ই পি এফৰ সাহাৰ্যই ক্ষুদ্ৰ, লঘূ আৰু মধ্যমীয়া উদ্যোগৰ লগতে অন্যান্য ব্যৱসায়ৰ লগত জড়িত শ্ৰমিকক নগদ ধন লাভত সহায় কৰিব।
- অনাগত তিনিমাহৰ বাবে প্ৰধানমন্ত্ৰী দৰিদ্ৰ কল্যাণ পেকেজৰ অধীনত নথকা কৰ্মচাৰীৰ ক্ষেত্ৰত নিয়োগকাৰী আৰু কৰ্মচাৰীৰ ই পি এফ ৰ বৰঙণিৰ পৰিমাণ ১২% ৰ পৰা হ্ৰাস কৰি দুয়োক্ষেত্ৰতে ১০% কৰা হৈছে যাৰ ফলত মধ্যবিত্ত কৰ্মাচাৰী, ক্ষুদ্ৰ, লঘূ আৰু মধ্যমীয়া উদ্যোগৰ লগতে অন্যান্য ব্যৱসায়সমূহ নগদীৰ ক্ষেত্ৰত লাভান্বিত হ’ব।
- ই পি চি আৰু ৰেহাইৰ ক্ষেত্ৰত বুজাবুজিৰ চুক্তিকে ধৰি ঠিকাভিত্তিক দায়িত্ব শেষ কৰাৰ বাবে ছমাহৰ অতিৰিক্ত সময় প্ৰদানৰ জৰিয়তে ঠিকাদাৰসকললৈ সকাহ।
- সেৱামূলক ট্ৰাষ্ট, নন-কৰ্পোৰেট ব্যৱসায় আৰু বৃত্তিৰ ক্ষেত্ৰত আদায় দিবলৈ বাকী থকা আয়কৰ ৰিফাণ্ডৰ ক্ষেত্ৰত আয়কৰ ৰেহাইৰ জাননী অনতিপলমে প্ৰকাশ কৰা হ’ব।
- ২০-২১ বিত্তীয় বৰ্ষৰ বাকী থকা সময়খিনিৰ বাবে প্ৰযোজ্য হোৱাকৈ টি ডি এছ আৰু টি চি এছ ২৫% হ্ৰাস কৰা হৈছে আৰু লগতে বিভিন্ন কৰ আদায় দিয়াৰ শেষ তাৰিখ পিছুৱাই দিয়া কাৰ্যই ব্যৱসায়মূহক সহায় কৰিব।



सत्यमेव जयते
Goverment Of India

# দৰিদ্ৰ, প্ৰব্ৰজক আৰু কৃষকক সামৰি

## প্ৰব্ৰজকলৈ দুমাহৰ বাবে বিনামূলীয়া খাদ্য যোগান

- বিভিন্ন ৰাজ্যত থকা প্ৰব্ৰজকসকলক খাদ্য-সামগ্ৰী যোগান ধৰাৰ প্ৰয়োজন হয়।
- যিসকল প্ৰব্ৰজক এনএফএছএ অথবা ৰাজ্যিক কাৰ্ড উপভোক্তা নহয়, তেওঁলোকৰ প্ৰত্যককে দুমাহৰ বাবে ৫কেজিকৈ খাদ্য সামগ্ৰী আৰু প্ৰতিটো পৰিয়ালক ১ কেজিকৈ চানা প্ৰদান কৰা হ'ব ।
- প্ৰায় ৮কোটি প্ৰব্ৰজক উপকৃত হোৱাৰ আশা কৰা হৈছে।
- দুমাহত এই ব্যৱস্থাত ৩৫০০ কোটি ব্যয় কৰা হ'ব।
- **এই ব্যয় সম্পূৰ্ণৰূপে বহন কৰিব ভাৰত চৰকাৰে।**
- প্ৰব্ৰজকৰ বাবে আঁচনি ৰূপায়ন, তেওঁলোকক চিনাক্ত কৰা আৰু তেওঁলোকৰ মাজত খাদ্য সামগ্ৰী বিতৰণ তথা তেওঁলোকক বিস্তৃত নীতি-নিৰ্দেশনা প্ৰদানৰ ক্ষেত্ৰত ৰাজ্য চৰকাৰ দায়বদ্ধ।



# এক ৰাষ্ট্ৰ, এক ৰেচন কাৰ্ডঃ ভাৰতত অহা মাৰ্চ,২০২১ৰ ভিতৰত প্ৰব্ৰজকে যাতে ৰেচন কাৰ্ড স্বচ্ছভাৱে লাভ কৰে, তাৰ বাবে প্ৰযুক্তিৰ ব্যৱহাৰ কৰা হ’ব

- প্ৰব্ৰজকৰ পৰিয়ালে আন ৰাজ্যত খাদ্যৰ সুবিধা লাভ নকৰে।
- এই আঁচনিৰ ফলত প্ৰব্ৰজকে দেশৰ যিকোনো সুলভ মূল্যৰ দোকানৰ পৰা চৰকাৰী বিতৰণ ব্যৱস্থাৰ সুবিধা আদায় কৰিব পাৰিব। (২০ৰাজ্যত আৰম্ভ হৈছে আন্তঃৰাজিক পোৰ্টেবিলিটী)
- **প্ৰধানমন্ত্ৰীৰ প্ৰযুক্তি চালিত প্ৰশাসনিক সংস্কাৰৰ অংশ।**
- **পিডিএছ জনসংখ্যাৰ ৮৩ শতাংশ ক’ভাৰ কৰা ২৩খন ৰাজ্যৰ ৬৭কোটি উপভোক্তাক আগষ্ট,২০২০ৰ ভিতৰত ৰাষ্ট্ৰীয় পোৰ্টেবিলিটীৰদ্বাৰা সাঙুৰি লোৱা হ’ব।**
- **মাৰ্চ,২০২১ৰ ভিতৰত ১০০ শতাংশ পোৰ্টেবিলিটী সম্পূৰ্ণ হৈ উঠিব।**
- **সকলো ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলে মাৰ্চ,২০২১ৰ ভিতৰত পূৰ্ণাংগ এফপিএছ অ’টোমেচন সম্পূৰ্ণ কৰিব।**



# প্ৰব্ৰজিত কৰ্মী/ নগৰীয় দৰিদ্ৰৰ বাবে সহজলভ্য ৰেণ্টেল হাউচিং কমপ্লেক্স (ARHC)

প্ৰব্ৰজিত শ্ৰমিক আৰু নগৰীয় দৰিদ্ৰ লোকসকলে সুলভ মূল্যত ঘৰ পোৱাৰ ক্ষেত্ৰত প্ৰত্যাহ্বানৰ সন্মুখীন হয়।

চৰকাৰে প্ৰধানমন্ত্ৰী আৱাস যোজনাৰ অধীনত এক আঁচনি ঘোষণা কৰিব। এই আঁচনিৰ অধীনত প্ৰব্ৰজিত শ্ৰমিক আৰু নগৰীয় দৰিদ্ৰসকলে সূলভ মূল্যত থকাৰ সুবিধা লাভ কৰিব। চৰকাৰে নিম্নোক্ত পদক্ষেপৰ জৰিয়তে এই আঁচনি ৰূপায়ন কৰিব।

i. ১. চহৰত থকা চৰকাৰী বিত্তপোষিত হাউচিঙসমূহ পিপিপি পদ্ধতিত সূলভ মূল্যৰ ৰেণ্টেল হাউচিং কমপ্লেক্স(এআৰএইচচি)লৈ ৰূপান্তৰিত কৰি।

ii. ২.নিৰ্মাণ কোম্পানী, উদ্যোগ, প্ৰতিষ্ঠান, সংস্থাসমূহক তেওঁলোকৰ ব্যক্তিগত ভূমিত সূলভমূল্যত ৰেণ্টেল হাউচিং কমপ্লেক্স নিৰ্মাণত উদগণি যোগোৱা। আৰু

iii. ৩. **ৰাজ্য চৰকাৰৰ সংস্থা, কেন্দ্ৰীয় চৰকাৰৰ সংগঠনসমূহক সূলভমূল্যত ৰেণ্টেল হাউচিং কমপ্লেক্স নিৰ্মাণ কৰা আৰু চলোৱাত উদগণি যোগোৱা।**

মন্ত্ৰালয়ে সবিশেষ নীতি-নিৰ্দেশনা জাৰি কৰিব।



# মুদ্ৰা-শিশু ঋণৰ বাবে ১৫০০কোটি সুতৰ অৰ্থসাহায্য

- মুদ্ৰা ঋণৰ অধীনষ্ঠ ক্ষুদ্ৰ ব্যৱসায়ীসকল সৰ্বাধিক ক্ষতিগ্ৰস্থ হৈছে আৰু ইএমআই পৰিশোধ কৰাৰ ক্ষেত্ৰত তেওঁলোক সমস্যাৰ সন্মুখীন হৈছে।
- আৰবিআইৰদ্বাৰা ঋণ স্থগিতকৰণত ইতিমধ্যে অনুমোদন জনোৱা হৈছে।
- **মুদ্ৰা-শিশু ঋণৰ সাম্প্ৰতিক পোৰ্টফ'লিঅ হ'ল ১.৬২লাখ কোটি।** (৫০,০০০ টকাৰ সৰ্বাধিক ঋণ).
- ভাৰত চৰকাৰে ১২মাহৰ বাবে ২ শতাংশৰ সুত অৰ্থসাহায্য প্ৰদান কৰিব।
- **মুদ্ৰা-শিশু ঋণলৈ ১৫০০কোটিৰ সাহায্য।**



# পদপথৰ ব্যৱসায়ীৰ বাবে  ৫০০০কোটিৰ বিশেষ ঋণৰ সুবিধা

- কোভিড-১৯ৰ বাবে পদপথৰ ব্যৱসায়ীসকল সাংঘাতিকভাৱে ক্ষতিগ্ৰস্ত হৈছে।
- চৰকাৰে পদপথৰ ব্যৱসায়ীসকললৈ সহজ ঋণৰ সুবিধা আগবঢ়াবলৈ এমাহৰ ভিতৰত এক বিশেষ আঁচনি মুকলি কৰিব।
- ১০,০০০ টকা পৰ্যন্ত প্ৰাৰম্ভিক ৱৰ্কিং কেপিটেল।
- বিত্তীয় পুৰস্কাৰৰ জৰিয়তে ডিজিটেল লেনদেনক উদগণি যোগোৱা হব আৰু ৱৰ্কিং কেপিটেল ক্ৰেডিট বৃদ্ধি কৰা হব।
- প্ৰায়  ৫০ লাখ পদপথৰ ব্যৱসায়ী উপকৃত হব।
- ৫০০০ কোটিৰ লিকুইডিটী প্ৰদান কৰা হব।



# চিএলএছএছৰ বৃদ্ধিৰ যোগেদি হাউছিং খণ্ড আৰু মধ্য আয়ৰ গোটবোৰলৈ  ৭০,০০০ কোটি টকাৰ পুঁজি আবণ্টন

- মে’  ২০১৭ ৰ পৰা মধ্যআয়ৰ লোকসকলৰ বাবে (যাৰ বাৰ্ষিক আয় – ৬-১৮ লাখ) ক্ৰেডিট লিংকড ৰাজসাহায্য আঁচনি
- CLSS সম্প্ৰসাৰণ কৰা হৈছে  ৩১ মাৰ্চ,  ২০২০ তাৰিখলৈ
- এই পৰ্যন্ত এই আঁচনিয়ে ৩.৩ লাখ মধ্যবিত্ত পৰিয়ালক লাভৱান্বিত কৰিছে।
- **চৰকাৰে এই চিএলএছএছ আঁচনি মাৰ্চ  ২০২১ লৈ কৰিব।**
- **২০২০-২১ সময়ছোৱাত  ২.৫ লাখ মধ্যবিত্ত পৰিয়াল লাভৱান্বিত হ’ব।**
- হাউছিং খণ্ডত ৭০,০০০ কোটি টকাতকৈ অধিক বিনিয়োগ হোৱাৰ ক্ষেত্ৰত সহায় কৰিব।
- নিয়োগ সৃষ্টি কৰিব
- তীখা, চিমেণ্ট, যাতায়াত আৰু অন্যান্য নিৰ্মাণ খণ্ডৰ সা-সামগ্ৰীৰ চাহিদা বৃদ্ধি কৰিব।



# কাম্পা (CAMPA) পুঁজি ব্যৱহাৰেৰে ৬০০০ কোটি টকাৰ নিয়োগ সৃষ্টি কৰা হ’ব

- আমাৰ নাগৰিকৰ বাবে নিয়োগ সুবিধা সৃষ্টিৰ প্ৰয়োজনীয়তা আছে।
- কম্পেন্সেট’ৰী এফ’ৰেষ্টেশ্যন ফাণ্ড এক্ট, ২০১৬ ৰ অধীনত কম্পেন্সেট’ৰী এফ’ৰেষ্টেশ্যন মেনেজমেন্ট আৰু প্লানিং অথৰিটি কাম্পা স্থাপন কৰা হ’ব।
- শীঘ্ৰেই ৬০০০ কোটি টকাৰ পৰিকল্পনা অনুমোদন কৰা হ’ব।
- নিম্নোক্ত দিশসমূহৰ বাবে ৰাজ্য চৰকাৰৰ দ্বাৰা পুঁজি ব্যৱহাৰ কৰা হ’ব -
  - **বনানীকৰণ আৰু গছপুলি ৰোপন কাৰ্য, এই কাম নগৰাঞ্চলতো কৰা হ’ব।**
  - কৃত্ৰিমভাৱে পুনঃসৃষ্টি, প্ৰাকৃতিকভাৱে পুনঃসৃষ্টিত সাহায্য
  - বন ব্যৱস্থাপনা, ভুমি আৰু আৰ্দ্ৰতা সংৰক্ষণ কাৰ্য
  - বন সুৰক্ষা, বন আৰু বন্যপ্ৰাণী সংক্ৰান্তীয় আন্তঃগাঁথনি উন্নয়ন, বন্যপ্ৰাণী সুৰক্ষা আৰু ব্যৱস্থাপনা ইত্যাদি।
- ই নগৰাঞ্চল, উপ-নগৰাঞ্চল আৰু গ্ৰামাঞ্চলত নিয়োগ সুবিধা সৃষ্টি কৰিব
- জনজাতীয় / আদিবাসী লোকসকলৰ বাবে নিয়োগ সুবিদা সৃষ্টি কৰিব।



# নাবার্ডৰ যোগেদি কৃষকসকলৰ বাবে ৩০,০০০ কোটি টকাৰ অতিৰিক্ত জৰুৰীকালীন প্ৰযোজ্য মূলধনী পুঁজি যোগান

- ক্ষুদ্ৰ আৰু অংশকালীন কৃষকসকলৰ অপৰ্যাপ্ত বিত্তীয় উৎস।
- এইক্ষেত্ৰত ঋণৰ বাবে মুখ্য উৎস হ'ব আঞ্চলিক গ্ৰামীণ বেংক আৰু গ্ৰামীণ সমবায় বেংকসমূহ।
- **গ্ৰামীণ সমবায় বেংক আৰু আঞ্চলিক গ্ৰামীণ বেংকসমূহৰ শস্য ঋণৰ প্ৰয়োজনীয়তা পূৰণ কৰিবৰ বাবে নাবাৰ্ডে আগবঢ়াব ৩০,০০০ কোটি টকাৰ এক অতিৰিক্ত পুনঃবিত্তায়ন সাহায্য।**
- এয়া হ'ব এই বছৰটোত নাবাৰ্ডে স্বাভাৱিক পুনঃবিত্তায়ন পথৰ যোগেদি কৰা ৯০,০০০ কোটি টকাৰ সাহায্যৰ উপৰিও আগবঢ়োৱা সাহায্য।
- **৩৩ টা ৰাজ্যিক সমবায় বেংক, ৩৫১ টা জিলা সমবায় বেংক আৰু ৪৩ টা আঞ্চলিক গ্ৰামীণ বেংকলৈ ইয়াৰ 'লেণ্ডিং'ৰ ওপৰত ভিত্তি কৰি 'ফ্ৰন্ট লোডেড অন-টেপ সুবিধা প্ৰদান কৰা হ'ব।**
- **প্ৰায় ৩ কোটি কৃষকক সহায় কৰিবলৈ – অধিকাংশ ক্ষুদ্ৰ আৰু অংশকালীন কৃষক।**
- মে'-জুন মাহত ৰবি শস্য চপোৱাৰ পিছত আৰু চলি থকা খাৰিফ শস্যৰ প্ৰয়োজনীয়তা পূৰণ কৰিব এই পদক্ষেপে।



# কিষাণ ক্ৰেডিট কাৰ্ডযোগে  ২.৫ কোটি কৃষকলৈ  ২ লাখ কোটি টকাৰ ৰেহাই হাৰত ঋণৰ সুবিধা

- কিষাণ ক্ৰেডিট কাৰ্ডৰ যোগেদি প্ৰধানমন্ত্ৰী-কিষাণ হিতাধিকাৰীসকললৈ ৰেহাই হাৰত ঋণ প্ৰদান কৰিবলৈ এক বিশেষ কাৰ্যসূচী গ্ৰহণ
- মৎস্যজীৱি আৰু পশুপালক কৃষকসকলকো এই কাৰ্যসূচীত সামৰি লোৱা হ’ব।
- ৰেহাই সুতৰ হাৰত প্ৰতিষ্ঠানিক ঋণ লাভ কৰাৰ ক্ষেত্ৰত কৃষকসকলক এই কাৰ্যসূচীয়ে যথেষ্ট সহায় কৰিব।
- এই কাৰ্যসূচীয়ে  ২.৫ কোটি কৃষকক সামৰি ল’ব আৰু  ২ লাখ কোটি টকাৰ ঋণ প্ৰবাহৰ দ্বাৰা তেওঁলোক যথেষ্ট লাভৱান্বিত হ’ব।



# ধন্যবাদ